অধ্যায় ৮ প্রশ্নসূচী আৰু সাক্ষাৎকাৰসূচী

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ এখন ভাল প্রশ্নসূচী ঃ প্রস্তুতি আৰু বৈশিষ্ট্য
৮.৪ প্রশ্নসূচীৰ প্রকাৰ
৮.৫ প্রশ্নসূচীৰ ভাল আৰু বেয়া দিশ
৮.৬ সাক্ষাৎকাৰ সূচী ঃ অর্থ আৰু বৈশিষ্ট্য
৮.৭ সাক্ষাৎকাৰ সূচীৰ ভাল আৰু বেয়া দিশ
৮.৮ প্রশ্নসূচী আৰু সাক্ষাৎকাৰ সূচীৰ মাজৰ বৈসাদৃশ্য
৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.১০ অধিক জানিবলৈ
৮.১১ অগ্রগতিৰ খতিয়ান
৮.১২ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- এখন ভাল প্রশ্নসূচী প্রস্তুত কৰা, ইয়াৰ বৈশিষ্ট্য, গুণ আৰু অৱগুণ আদিৰ বিষয়ে অৱগত হ'ব পাৰিব।
- সাক্ষাৎকাৰ সূচীৰ অর্থ, ইয়াৰ বৈশিষ্ট্য আৰু গুণ, অৱগুণ আদিৰ বিষয়ে জানিব পাৰিব।
- প্রশ্নসূচী আৰু সাক্ষ্যৎকাৰ সূচীৰ মাজৰ পার্থক্য বুজিব পাৰিব।

৮.২পৰিচয়

যিকোনো প্রকাৰৰ গৱেষণাত প্রাথমিক চর্ত হৈছে বিষয়টোৰ নির্দিষ্ট বিশ্লেষণ। বস্তুগত বিশ্লেষণ মানে হৈছে গৱেষণাৰ বিষয়ৰ এনেধৰণৰ অধ্যয়ন য'ত যুক্তিসন্মত দৃষ্টিভংগী আৰু বুজাবুজিৰ ভাব নিহিত হৈ থাকে আৰু যাৰ ফলাফল হয় সর্বাধিক যুক্তিসংগত। এক বস্তুগত গৱেষণা কৰাৰ বিভিন্ন পদ্ধতি থাকে যদিও এজন গৱেষকে এইক্ষেত্রত সর্বপ্রথম গুৰুত্ব দিয়ে প্রশ্নসূচীত। সাধাৰণ অর্থত প্রশ্নসূচী হৈছে গৱেষণাৰ বিষয়টোৰ সৈতে মিলা কিছুমান প্রশ্নৰ মিছিল। এই প্রশ্নসমূহ গৱেষণাৰ বাবে বাছি লোৱা লোকসকলৰ প্রতিক্রিয়া গ্রহণ কৰিবলৈ কৰা হয়। উত্তৰদাতা সকলে প্রশ্নসূচীৰ উত্তৰ প্রদান কৰাৰ পিছত ইয়াক নির্দিষ্ট গৱেষণাৰ প্রাথমিক তথ্যৰূপে গ্রহণ কৰা হয়।

একেবাৰে সাধাৰণভাবে ক'বলৈ গ'লে প্রশ্নসূচী হৈছে গৱেষণাৰ এনে এক সৰঞ্জাম য'ত এক নির্দিষ্ট গণ্ডীত পৰিৱেশন কৰা পূর্ব নির্ধাৰিত কেতবোৰ প্রশ্নৰে উত্তৰদাতাৰ পৰা বস্তুগত তথ্য আহৰণ কৰা হয়।

৮.৩ এখন ভাল প্রশ্নসূচীঃ প্রস্তুতি আৰু বৈশিষ্ট্য

এখন ভাল প্রশ্নসূচী প্রস্তুত কৰাটো এক কঠিন কাম হ'ব পাৰে। ইয়াৰ বাবে এক দীঘলীয়া সময় আৰু জটিল প্রক্রিয়াৰ মাজেৰে যাবলগীয়া হয়। উন্নত মানৰ তথ্যৰ বাৰে এখন ভাল প্রশ্নসূচী অপৰিহার্য সেইবাবে গৱেষণাৰ প্রয়োজনীয়তালৈ লক্ষ্য ৰাখিহে প্রশ্নসূচী প্রস্তুত কৰিব লাগে। গৱেষণাৰ প্রয়োজনলৈ লক্ষ্য ৰাখি প্রশ্নসূচীখন সংৰচিত অথবা অর্ধ সংৰচিত হ'ব পাৰে। সংৰচিত বা বন্ধ পৰিসৰৰ প্রশ্নসূচীত সাধাৰণতে প্রশ্নৰ উত্তৰ হিচাপে কেতবোৰ পূর্ব নির্ধাৰিত উত্তৰ বিকল্প ৰূপে থাকে আৰু ইয়াৰে মাজৰ পৰা উত্তৰদাতাসকলে নিজৰ উত্তৰ বাছি উলিয়াব লাগে। অর্ধ সংৰচিত বা মুক্ত পৰিসৰৰ প্রশ্নসূচীতো ধৰা-বন্ধা প্রশ্ন কেতবোৰ থাকে কিন্তু ইয়াত উত্তৰদাতাসকলে নিজৰ মতে উত্তৰ দিবলৈ কিছু খালী ঠাই এৰা হয়। অর্ধ সংৰচিত বা মুক্ত পৰিসৰৰ প্রশ্নসূচীত নির্দিষ্ট প্রশ্ন দিয়া থাকিলেও উত্তৰদাতাসকলে নিজৰ মতে উত্তৰ দিয়াৰ অৱকাশ পায়। অর্ধ সংৰচিত প্রশ্নসূচীত কেতবোৰ প্রশ্নৰ উত্তৰ ৰচনাধর্মী হ'ব পাৰে সেইবাবে ইয়াক সম্পূর্ণৰূপে পৰিমাণগত তথ্যৰ ৰূপত গ্রহণ কৰিব পৰা নাযায়। সংৰচিত অথবা বন্ধ প্রশ্নসূচীত অধিক বস্তুগত উত্তৰ পোৱা যায় যিসমূহে গৱেষকক তথ্যসমূহৰ পৰিমাণ নির্ধাৰণ কৰি বিশ্লেষণ কৰাত সহায় কৰে।

এখন ভাল প্রশ্নসূচী সৰল, চমু আৰু সংক্ষিপ্ত হোৱাটো বাঞ্ছনীয় যাতে উত্তৰদাতাসকলে ইয়াক সহজে বুজি পায়। প্রশ্নসূচী যিমানেই সংক্ষিপ্ত হ'ব সিমানেই ইয়াৰ পৰা পোৱা তথ্য বস্তুগত আৰু যুক্তিসংগত হোৱাটো নিশ্চিত।

এখন ভাল প্রশ্নসূচীত নির্দিষ্ট গৱেষণাৰ গুৰুত্বপূর্ণ অংশ প্রকাশ পাব লাগে। প্রশ্নসমূহ এনেদৰে প্রস্তুত কৰিব লাগে যাতে উত্তৰদাতাসকলে কোনো ধৰনৰ সংকোচ নোহোৱাকৈ নিজৰ উত্তৰ বা মত দিব পাৰে। গৱেষণাৰ ক্ষেত্রত এখন ভাল প্রশ্নসূচীৰ ভূমিকা হৈছে যে উত্তৰদাতাসকলে ইয়াৰ মাজেৰে প্রশ্নসমূহৰ গুৰুত্ব অনুধাৱন কৰি এইসমূহ এৰাই চলাৰ পৰিৱর্তে ভালদৰে উত্তৰ দিবলৈ আগ্রহ প্রকাশ কৰে।

এখন ভাল প্রশ্নসূচীত যুক্তিসংগত উত্তৰৰ বাবে যুক্তিসংগত প্রশ্ন কৰিব লাগে। প্রশ্নসমূহ এনেদৰে উপস্থাপন কৰিব লাগে যাতে আটাইতকৈ কম শব্দ ব্যৱহাৰ কৰি আটাইতকৈ সৰল ভাষাত গৱেষকে নিজৰ কথা উপস্থাপন কৰিব পাৰে। বাক্যসমূহ অদৰকাৰীকৈ দীঘল কৰিলে ভুল ব্যাখ্যা হোৱাৰ আশংকা থাকি যায়।

উত্তৰদাতাসকলক অপ্রস্তুত কৰিব পৰাকৈ কোনো প্রশ্ন কৰিব নালাগে। যদিও প্রশ্নসূচী হৈছে তথ্য সংগ্রহৰ এক আহিলা আৰু ইয়াত উত্তৰদাতাসকলে বহলাই নিজৰ কথা উল্লেখ কৰাৰ সুযোগ নাপায়। উত্তৰদাতাসকলৰ সৈতে মুখামুখি সাক্ষাৎকাৰৰ প্রয়োজন হোৱা বিষয়সমূহত প্রশ্নসমূহ সংবেদনশীলতাৰে উত্থাপন কৰিব লাগে। উত্তৰদাতাসকল যাতে কোনো কাৰণতে অসহজ হৈ নপৰে

তালৈ চকু ৰাখিব লাগে। নির্ভেজাল তথ্যৰ বাবে এইবোৰ দিশলৈ মন দিয়াটো দৰকাৰ।

সর্বোপৰি এখন ভাল প্রশ্নসূচী আকর্ষণীয় হ'ব লাগে। উত্তৰদাতাসকলক আকর্ষণ কৰিব পৰাকৈ ইয়াক প্রস্তুত কৰিব লাগে। গৱেষণাৰ প্রশ্নসূচী প্রস্তুত কৰোতে দক্ষতাৰে কাম কৰাটো সেয়েহে অতি প্রয়োজনীয়। কাৰণ প্রশ্নসূচীখন যিমানেই গুৰুত্বপূর্ণ নহওক কিয় উত্তৰদাতাসকলক ইয়াৰ সৈতে জৰিত কৰোৱাব নোৱাৰিলে প্রশ্নসূচীখনৰ পৰা প্রয়োজনীয় তথ্য আহৰণ কৰাৰ আশা মিছা।

৮.৪ প্রশ্নসূচীৰ প্রকাৰ

দুটা প্রধান উল্লেখনীয় দিশ য'ত প্রশ্নসূচী সমূহ সাধাৰণতে ভিন ভিন ধৰণৰ হয় সেই দুটা হ'ল—

- গঠন প্রণালীৰ মাত্রা
- প্রতিক্রিয়াৰ সম্ভাৱনীয়তা কিমান

গঠন প্রণালী মাত্রা ঃ গঠন প্রণালীৰ মাত্রাক উদৰত ভিত্তি কৰি প্রশ্নসূচীক দুটা প্রকাৰত ভাগ কৰিব পাৰি ঃ- সংগঠিত আৰু অসংগঠিত।

সংগঠিত প্রশ্নসূচী হৈছে সেইসমূহ প্রশ্নসূচী য'ত সাক্ষাৎকাৰ দাতাক কি প্রশ্ন সুধিব আৰু সাক্ষাৎকাৰ গ্রহণ কৰোতা জনে কি নির্দেশনা মানিব তাৰ বিষয়ে আগতেই স্পষ্টকৈ উল্লেখ অথবা নির্দ্ধাৰিত কৰা থাকে।

ইয়াৰ বিপৰীতে অসংগঠিত প্রশ্নসূচী হৈছে সেইসমূহ প্রশ্নসূচী য'ত সাক্ষাৎকাৰ গ্রহণ কৰিবলগীয়া বিষয়টোৰ সন্দর্ভত কিছুমান বহল বিষয়বস্তু থিৰাং কৰি থোৱা হয় কিন্তু প্রশ্নসমূহ কি হব সেয়া আগতিয়াকৈ নির্ধাৰণ কৰি থোৱা নহয়। বিষয়বস্তুটোৰ ওপৰত কি প্রশ্ন উপস্থাপন কৰিব সেয়া সাক্ষাৎকাৰ গ্রহণ কৰোতাজনে বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি নিজে নির্বাচিত কৰিব।

- প্রতিক্রিয়াৰ কিমান সম্ভাৱনীয়তা বিষয়বস্তুৰ ওপৰত প্রতিক্রিয়া দিব পৰা কিমানটা সম্ভাৱনীয়তা দিয়া হৈছে তাৰ ওপৰত ভিত্তি কৰিও প্রশ্নসূচী ভীন্ন প্রকাৰৰ হয়। যদি এটা প্রশ্নৰ উত্তৰ দিবলৈ মাথো দুটা বিকল্প দিয়া থাকে তাক দ্বিভাজী প্রশ্ন বোলা হয়।

৮.৫ প্রশ্নসূচীৰ ইতিবাচক আৰু নেতিবাচক দিশ

ওপৰত কোৱাৰ দৰে এখন ভাল প্রশ্নসূচী এক ভাল গৱেষণাৰ বাবে অপৰিহার্য। অৱশ্যে গৱেষণাত প্রশ্নসূচী ব্যৱহাৰ কৰা নকৰাৰ কেতবোৰ নিজা সুবিধা আৰু অসুবিধা আছে। গতিকে গৱেষণাৰ প্রয়োজন অনুসৰিহে ইয়াক ব্যৱহাৰ কৰা উচিত। উদাহৰণস্বৰূপে কেতবোৰ গৱেষণাত উত্তৰদাতাসকলৰ দীঘলীয়া উত্তৰৰ প্রয়োজন হ'ব পাৰে। তেনে তথ্য সংগ্রহৰ ক্ষেত্রত প্রশ্নসূচীয়ে সুফল প্রদান নকৰিব পাৰে। আনহাতে উত্তৰদাতাসকলৰ চমু উত্তৰৰ প্রয়োজন হোৱা কোনো গৱেষণাত এখন ভালদৰে প্রস্তুত কৰা, সংক্ষিপ্ত প্রশ্নসূচীয়ে ভাল ফলাফল প্রদান কৰিব পাৰে গতিকে গৱেষণাৰ প্রয়োজন অনুসৰি প্রশ্নসূচীক বন্ধ আৰু মুক্ত পৰিসৰৰ প্রশ্নসূচীৰ ৰূপত ভাগ

কৰিব পাৰি। অধিক জানিবলৈ আমি প্ৰশ্নাৱলীৰ কেতবোৰ ইতিবাচক আৰু নেতিবাচক দিশআলোচনা কৰিব পাৰো।

- **প্ৰশ্নসূচীৰ ইতিবাচক দিশ ঃ**

➢ **কম খৰছী ঃ** প্ৰশ্নসূচীৰ আটাইতকৈ ভাল দিশটো হৈছে যে এয়া কম খৰছী। প্ৰশ্নসূচীয়ে সময় আৰু ধন দুয়োটাৰে ৰাহি কৰে, কাৰণ ইয়াত গৱেষকে প্ৰতিজন উত্তৰদাতাক ব্যক্তিগতভাৱে সাক্ষাৎ কৰি মত বিনিময় কৰাৰ প্ৰয়োজন নাথাকে। সেইবাবে ইয়াত সময় কম খৰছ হয় আৰু ভ্ৰমণ কৰিব নলগীয়া হোৱাৰ বাবে ধনো খৰছ নহয়। ইয়াৰোপৰি এক বৃহৎ সংখ্যক উত্তৰদাতাৰ পৰা কম সময়তে বৃহৎ পৰিমাণৰ তথ্য আহৰণ কৰিব পৰা যায়। গতিকে এনেদৰে ইয়াক বস্তুগত গৱেষণাৰ আটাইতকৈ সুবিধাজনক আহিলা আখ্যা দিব পাৰি।

➢ **তথ্যৰ মান নিৰ্ধাৰণ ঃ** প্ৰশ্নসূচী হৈছে গৱেষণাৰ এনে এক আহিলা যাৰদ্বাৰা তথ্যৰ বিশ্লেষণ সহজ হৈ পৰে। সেইবাবে প্ৰশ্নসূচীৰ জৰিয়তে আহৰণ কৰা তথ্যৰ দ্বাৰা নিৰ্দিষ্ট গৱেষণাটোৰ ফলাফলৰ দিশে এক সাধাৰণ সিদ্ধান্তত উপনীত হ'ব পৰা যায়। তথ্যৰ পৰা পোৱা জ্ঞানৰ ভিত্তিত সামাজিক বাস্তৱিকতাৰ শৈলী নিৰ্ধাৰণ কৰাটো আটাইতকৈ সহজ। তদুপৰি গৱেষকে ইয়াৰ দ্বাৰা পৰৱৰ্তী সময়ত সহায়ক হোৱাকৈ এই শৈলীসমূহ সাংকেতিক ভাৱে লিপিৱদ্ধ কৰাৰ সুবিধা লাভ কৰে।

➢ **তুলনাত্মক ঃ** প্ৰশ্নসূচী ব্যৱহাৰ কৰাৰ আটাইতকৈ ডাঙৰ সুবিধা হৈছে তুলনা কৰাৰ সুবিধা। একেটা বিষয়ৰ ওপৰত বিভিন্ন উত্তৰদাতাৰ পৰা ভিন্ন প্ৰশ্নসূচীৰে আহৰণ কৰা তথ্যৰ তুলনা কৰি সাধাৰণীকৰণ বা সামাজিক বাস্তৱিকতাৰ শৈলীত উপনীত হ'ব পৰা যায়। এজন দক্ষ গৱেষকে একেটা বিষয়ৰ ওপৰত ভিন্ন প্ৰশ্নসূচী প্ৰস্তুত কৰি একেবোৰ উত্তৰদাতাৰ পৰা ভিন্নমুখী প্ৰতিক্ৰিয়া আহৰণ কৰিব পাৰে। যদিও প্ৰশ্নসূচীৰ জৰিয়তে উত্তৰদাতাই দিয়া উত্তৰৰ বহলাই বিশ্লেষণ কৰাৰ সুবিধা গৱেষকে নাপায়, তথাপিও প্ৰশ্নসূচীয়ে উল্লেখ কৰা এই বিশেষ সুবিধা প্ৰদান কৰে।

➢ **সামঞ্জস্যতা ঃ** সামঞ্জস্যতাই অসহজ যেন অনুভৱ কৰিব পৰা অথবা বিতৰ্কিত বুলি বিবেচনা কৰা প্ৰশ্নসমূহৰ উত্তৰ সহজকৈ দিয়াৰ সুবিধা প্ৰদান কৰে। প্ৰশ্নসূচীয়ে উত্তৰদাতাক উত্তৰসমূহৰ সৈতে একপ্ৰকাৰে বিচ্ছিন্ন অনুভৱ কৰায়, যাৰ ফলত উত্তৰদাতাই নিজৰ মতসমূহ নমনীয়কৈ দিয়াৰ সুযোগ লাভ কৰে। নাম উল্লেখ কৰিব নলগাৰ বাবে যিকোনো মানুহে উত্তৰসমূহ সহজকৈ প্ৰদান কৰিব পাৰে। এনেকৈয়ে বস্তুগত তথ্য আহৰণৰ দিশে আগুৱাই যোৱা হয়।

➢ **পৰিমাণ নিৰ্ধাৰণযোগ্য ঃ** প্ৰশ্নসূচীয়ে পৰিমাণ কৰিব পৰা তথ্য প্ৰদান কৰে অৰ্থাৎ এই তথ্যসমূহৰ সাধাৰণীকৰণ কৰি একেধৰণৰ বিস্তৃত ক্ষেত্ৰত গৱেষণা আগুৱাই নিবলৈ সহায় পোৱা যায়। বন্ধ পৰিসৰৰ এখন প্ৰশ্নসূচী পৰিমাণ নিৰ্ধাৰণযোগ্য তথ্য আহৰণৰ বাবে আটাইতকৈ সুবিধাজনক।

- **প্রশ্নসূচীৰ নেতিবাচক দিশসমূহঃ**

➢ **উত্তৰদাতাৰ সৈতে ব্যক্তিগত যোগাযোগৰ অভাৱ ঃ** তথ্য আহৰণৰ বাবে ব্যৱহৃত প্রশ্নসূচীৰ আটাইতকৈ ডাঙৰ বেয়া গুণটো হৈছে ইয়াত গৱেষকে উত্তৰদাতাসকলৰ সৈতে ব্যক্তিগত পর্যায়ত সম্পর্ক ৰক্ষা কৰাৰ সুবিধা লাভ নকৰে। এই বেয়া দিশটোৰ বাবেই পৰৱর্তী সময়ৰ আন বহুতো সমস্যাৰ উদ্ভৱ হয়। যেনে-গৱেষণাত বহল পৰিসৰৰ, ভিন্নমুখী দৃষ্টিভংগীৰ অভাৱ, সমমর্মিতাৰ অভাৱ, বৈধতাৰ সমস্যা আদি। গৱেষক আৰু উত্তৰদাতাৰ মাজত ব্যক্তিগত সম্পর্কৰ অভাৱৰ বাবেই দুয়োটা পক্ষৰ মাজত একধৰণৰ বিচ্ছিন্নতাৰ ভাৱ বিৰাজ কৰে। গতিকে ইয়াৰ ফলত গৱেষণাৰ ফলাফলত কুপ্রভাৱ পৰাৰ আশংকা থাকি যায়।

➢ **দুর্বল প্রতিক্রিয়া ঃ** ওপৰৰ সমস্যাৰ সৈতে এই সমস্যা সম্পর্কিত। প্রশ্নসূচীৰ দ্বাৰা উত্তৰদাতাসকলৰ পৰা দুর্বল প্রতিক্রিয়া পোৱাৰ আশংকা থাকে। ইয়াৰ আঁৰত আছে বহুকেইটা কাৰণ, যেনেঃ এলাহ, অনিচ্ছা, ব্যস্ততা আৰু উত্তৰদাতাসকলৰ আন ব্যক্তিগত সমস্য, কিন্তু এই সকলোবোৰৰ প্রাথমিক কাৰণ হৈছে গৱেষক আৰু উত্তৰদাতাৰ মাজত ব্যক্তিগত সম্পর্কৰ অভাৱ। ইয়াৰ ফলত আধা ভর্তি প্রশ্নসূচী অথবা অনিচ্ছাৰে দিয়া উত্তৰো পোৱাৰ আশংকা থাকে।

➢ **বৈধতাৰ প্রশ্ন ঃ** গৱেষণাৰ আহিলা হিচাপে প্রশ্নসূচীৰ ক্ষেত্রত বৈধতাৰ প্রশ্ন এক বৃহৎ প্রত্যাহ্বান হ'ব পাৰে। প্রশ্নসূচী সদায় লিখিত ৰূপত থাকে সেয়ে পঢ়া-শুনা নথকা উত্তৰদাতাসকলে প্রশ্নসমূহ ভুলকৈ বুজি উত্তৰ দিয়াৰ আশংকা ৰৈ যায়। যাৰ বাবে দুর্বল তথ্য বা ভুল তথ্য পোৱাৰ সম্ভাৱনাই অধিক। ইয়াৰদ্বাৰা গৱেষণাৰ ফলাফল ভুল হোৱাৰ আশংকা ৰৈ যায়। ইয়াৰোপৰি প্রশ্নসূচীৰ উত্তৰ পূৰণ কৰাৰ সময়ত গৱেষকজন শাৰীৰিকভাৱে উপস্থিত থাকিব নোৱাৰিব পাৰে (অনলাইন বা ডাকযোগে প্রেৰণ কৰা প্রশ্নসূচীৰ ক্ষেত্রত)। গতিকে ইয়াত উত্তৰদাতাক জটিল প্রশ্ন ভাঙি-পাতি বুজাই দিয়াৰ অৱকাশ নাপায় গৱেষকে। ইয়াৰ ফলত প্রশ্নসমূহৰ উত্তৰ দিওঁতে উত্তৰদাতাসকলে ভুল ব্যাখ্যা কৰাৰ সন্দর্ভত গৱেষক অজ্ঞ হৈ ৰয়।

➢ **ভুল ব্যাখ্যা ঃ** প্রশ্নসূচীৰ ক্ষেত্রত, ভুল ব্যাখ্যা কৰাৰ অ ৱকাশ প্রশ্নকৰোতা আৰু উত্তৰদাতা দুয়োজনৰ ক্ষেত্রতে ৰৈ যায়। উত্তৰদাতাসকলে প্রশ্নসূচী পূৰণ কৰাৰ সময়ত গৱেষকজন প্রায়ে নিজে উপস্থিত নাথাকে, একেদৰে গৱেষকজনে উত্তৰসমূহ ব্যাখ্যা কৰাৰ সময়ত উত্তৰদাতাসকলো নিজে উপস্থিত থকাৰ সম্ভাৱনা নাথাকে। বেয়া হাতৰ আখৰ অথবা অস্পষ্ট উত্তৰ আদিৰে উত্তৰদাতাসকলৰ প্রতিক্রিয়া (মুক্ত পৰিসৰৰ প্রশ্নসূচীৰ ক্ষেত্রত) স্পষ্ট নহ'লে গৱেষকজন শলঠেকত পৰে।

ওপৰত উল্লেখ কৰাৰ দৰে ভাল মানৰ সংগৃহীত তথ্যৰ সৈতে এখন ভাল প্রশ্নসূচীৰ ওতঃপ্রোতঃ সম্পর্ক। এখন ভাল প্রশ্নসূচীয়ে এজন গৱেষকক ভাল মানৰ তথ্যৰ দিশে আগুৱাই নিয়ে। আসোঁৱাহ ৰৈ গ'লেও গুণগত আৰু পৰিমাণগত উভয় প্রকাৰৰ গৱেষণাত প্রশ্নসূচী হৈছে তথ্য সংগ্রহৰ এক অতি জনপ্রিয় আহিলা।

৮.৬ সাক্ষাৎকাৰ সূচীঃ অর্থ আৰু বৈশিষ্ট্য

সাক্ষাৎকাৰৰ বাবে এখন ভাল সূচী তৈয়াৰ কৰা এক অতি গুৰুত্বপূর্ণ কলা। গোড আৰু হাট্ৰ মতে, মুখা মুখীকৈ সাক্ষাৎ গ্রহণ কৰোঁতে সাক্ষাৎকাৰ গ্রহণ কৰোঁতা গৰাকীয়ে যি প্রশ্নৰ তালিকা ব্যৱহাৰ কৰে, অর্থাৎ যাৰ জৰিয়তে প্রশ্ন সোধে আৰু উত্তৰ সমূহ লিপিৱদ্ধ কৰে, সেই তালিকা খনকে সাক্ষাৎকাৰসূচী হিচাপে অভিহিত কৰা হয়। ইয়াত উপযুক্ত দক্ষতা, পূর্ব অভিজ্ঞতা আৰু গৱেষণাৰ জ্ঞান থকাটো বাঞ্ছনীয় । কে ডি গেংৰেডে সূচীক সাক্ষাৎকাৰৰ সময়ত পূৰণ কৰাৰ প্রপত্র ৰূপে ব্যাখ্যা কৰিছে, এই প্রপত্র পূৰণ কৰাৰ সময়ত প্রশ্নকৰোতা আৰু উত্তৰদাতা উভয়ে উপস্থিত থাকে। ইয়াৰ জৰিয়তে প্রশ্নকৰোতাই মুখামুখিকৈ কেতবোৰ প্রশ্ন উত্থপান কৰে। এখন সাক্ষাৎকাৰ সূচী হৈছে সাক্ষাৎকাৰৰ এনে এক আহিলা য'ত সকলো উত্তৰদাতাই প্রতিটো প্রশ্নৰ উত্তৰ একেটা ভাষাতে দিব লাগে। সাক্ষাৎকাৰ সূচীৰ ক্ষেত্রত প্রাথমিক চর্ত হৈছে ইয়াৰ প্রশ্নসমূহ সাক্ষাৎকাৰৰ সময়ৰ পৰিৱর্তে সাক্ষাৎকাৰ গ্রহণ কৰাৰ পূর্বেই লিখি ল'ব লাগে। অৱশ্যে যদিহে ইয়াত উত্তৰদাতাসকলে প্রশ্ন বুজাত অসুবিধাৰ সন্মুখীন হয় তেতিয়া গৱেষকে প্রশ্নসমূহ নতুন ধৰনে কৰাৰ স্বাধীনতা লাভ কৰে। উল্লেখযোগ্য যে সাক্ষাৎকাৰসূচী এখনে তথ্য সংগ্রহ প্রক্রিয়াটো অতি প্রণালীৱদ্ধ আৰু সুশৃংখল ভাৱে সমাপণ কৰাত সহায় কৰে। তথাপি ইয়াৰে ইতিবাচক আৰু নেতিবাচক দিশ নথকা নহয়, তলত এই দিশবিলাকো চমুকৈ আলোচনা কৰিব বিচাৰিছো।

৮.৭ সাক্ষাৎকাৰ সূচীৰ ইতিবাচক আৰু নেতিবাচক দিশ

সাক্ষাৎকাৰ সূচীৰ ইতিবাচক দিশ-

- **তথ্যৰ সম্ভাৰ ঃ** তথ্য সংগ্রহৰ আহিলাৰূপে সাক্ষাৎকাৰ সূচীৰ এটা প্রাথমিক সুবিধা হৈছে ইয়াত উত্তৰদাতাসকলে নিজৰ প্রতিক্রিয়া বা উত্তৰসমূহ লিখিত ৰূপত দিব নালাগে। তেওঁলোকে গৱেষকৰ সৈতে মাত্র কথা পাতিয়ে নিজৰ মত প্রকাশ কৰিব পাৰে। ইয়াত গৱেষকেহে উত্তৰসমূহ লিখিতৰূপত সংগ্রহ কৰিবলগীয়া হয়। এই পদ্ধতিৰ দ্বাৰা কম সময়ত সর্বাধিক তথ্য আহৰণ কৰাৰ অৱকাশ থাকে কাৰণ লিখি দিয়াতকৈ মুখৰ কথাৰে মনৰ ভাৱ প্রকাশ কৰাটো অধিক সুবিধাজনক।
- **প্রশ্নৰ নমনীয়তা ঃ** এজন সপ্রতিভ গৱেষকে নিজৰ দক্ষতাৰে সাক্ষাৎকাৰ সূচীৰ প্রশ্নসমূহ স্বতঃস্ফূর্তভাৱে নতুনকৈ গঠন কৰি ল'ব পাৰে। এই কৌশলৰে তেওঁ উত্তৰদাতাসকলৰ পৰা অধিক তথ্য আহৰণ কৰিব পাৰে। এই নমনীয়তাৰ সুবিধাৰ বাবেই তথ্যৰ বৈধতা পুনঃ পুনঃ পৰীক্ষা কৰাৰ সুযোগ থাকে। তদুপৰি ব্যক্তিসকলে কঠিন যেন পোৱা প্রশ্নসমূহ গৱেষকে বাৰে বাৰে ব্যাখ্যা কৰিব পাৰে।
- **এটা মসৃন সাক্ষাৎকাৰৰ বাট মুকলি ঃ** হাতত তৈয়াৰী প্রশ্নৰ তালিকা থকাৰ বাবে গৱেষকৰ বাবে সাক্ষাৎকাৰ গ্রহণ কৰাটো একেবাৰে সহজ হৈ পৰে। এই প্রশ্নসমূহেই পৰৱর্তী সাক্ষাৎকাৰৰ স্রোত নির্ধাৰণ কৰে।

- **ব্যক্তিগত মত বিনিময়ৰ দ্বাৰা নির্দিষ্ট তথ্য আহৰণ ঃ** ব্যক্তিসকলৰ সৈতে মুখামুখিকৈ মত বিনিময় কৰাৰ সুবিধা লাভ কৰাৰ বাবে গৱেষকে নিজৰ সংগৃহীত তথ্যৰ সৈতে কেতবোৰ অতিৰিক্ত তথ্য সংযোগ কৰাৰ সুবিধা লাভ কৰে। উত্তৰদাতাসকলে মৌখিকভাৱে নিজৰ উত্তৰসমূহ প্রদান কৰাৰ ফলত এই সুবিধা লাভ কৰে।

সাক্ষ্যৎকাৰসূচীৰ নেতিবাচক দিশ ঃ

- **ব্যয়বহুল আৰু সময় খৰছী ঃ** এজন আঁত ধৰোতাক ব্যৱহাৰ কৰা মানে সময় আৰু ধন দুয়োটাৰে খৰছ বৃদ্ধি (প্রশিক্ষণ, বেতন আৰু যাত্রাৰ খৰছ)। গৱেষকে সাক্ষাৎকাৰসূচী নিজে ব্যৱহাৰ কৰিলেও সময় খৰছ হ'ব কাৰণ এনেক্ষেত্রত গৱেষকে ঠায়ে ঠায়ে গৈ উত্তৰদাতাসকলক ব্যক্তিগতভাৱে সাক্ষাৎ কৰিবলগীয়া হয়।
- **ব্যক্তিগত দৃষ্টিপাত ঃ** পূর্ব নির্ধাৰিত প্রশ্নসমূহ ব্যক্তিগতভাৱে ব্যাখ্যা কৰিলে ভুল বুজাবুজিৰ আশংকা নাথাকে যদিও ইয়াত ব্যক্তিগত দৃষ্টিপাতৰ সম্ভাৱনা ৰৈ যায়। উত্তৰদাতাসকলে কৰা প্রশ্নৰ উত্তৰসমূহ গৱেষকে নিজে ব্যাখ্যা কৰাৰ ফলত এই ভুল হোৱাৰ আশংকা থাকে। সেইবাবে ইয়াত গৱেষকজনৰ সততা আৰু বিশ্বাসযোগ্যতা অতি গুৰুত্বপূর্ণ।
- **তথ্যৰ সামঞ্জস্যতাৰ সমস্যা ঃ** যদি এটা নির্দিষ্ট সাক্ষাৎকাৰত এখন সাক্ষাৎকাৰৰ সূচী এজনতকৈ অধিক সাক্ষাৎকাৰ লওঁতাই ব্যৱহাৰ কৰে তেতিয়া তথ্যৰ সামঞ্জস্যতা নথকাৰ সম্ভাৱনাই হৈ পৰে। সাক্ষাৎকাৰ সূচীৰ নমনীয়তাৰ বাবে প্রশ্নকৰোঁতাই ইয়াত প্রতিক্রিয়াসমূহ নিজৰ ধৰণে ব্যাখ্যা কৰাৰ সুবিধা লাভ কৰে। যিমানেই অধিক সাক্ষাৎকাৰ লওতা থাকিব আহৰণ কৰা তথ্যৰ সামঞ্জস্যহীনতা সিমানেই বাঢ়িব।
- **গৱেষণাৰ সীমিত পৰিসৰ ঃ** মুখামুখিকৈ ব্যক্তিগত পর্যায়ত মত বিনিময় হোৱাৰ বাবে তথ্য আহৰণৰ আহিলাৰূপে সাক্ষাৎকাৰ সূচীৰ কেতবোৰ সীমাৱদ্ধতা থাকে, ইয়াত কিমানজন ব্যক্তিৰ পৰা তথ্য সংগ্রহ কৰিব সেয়া সর্বাধিক গুৰুত্বপূর্ণ প্রশ্ন। সাক্ষাৎকাৰসূচীৰ জৰিয়তে এক নির্দিষ্ট সংখ্যক লোকৰ মাজতহে সোমাব পাৰি। ব্যক্তিগতভাৱে সাক্ষাৎকাৰ লওতা যাব পৰা ক্ষেত্রসমূহতে সাক্ষাৎকাৰ সূচী ব্যৱহাৰ কৰিব পৰা যায়। ইয়াৰ ফলত সামাজিক শৈলী নির্ধাৰণ কৰাত অসুবিধাৰ সৃষ্টি হয়।

বিভিন্ন অসুবিধা থাকিলেও সাক্ষাৎকাৰসূচী সামাজিক গৱেষণাৰ ক্ষেত্রত এক প্রয়োজনীয় আহিলা। ব্যক্তিগত সাক্ষাৎকাৰৰ ক্ষেত্রত সাক্ষাৎকাৰসূচীৰ গুৰুত্ব অপৰিসীম। সূচীমতে আগবাঢ়িলে কোনো এটা সাক্ষাৎকাৰ মসৃন হৈ পৰে। গৱেষকে ইয়াতপূর্ব নির্ধাৰিত প্রশ্ন সাজু কৰি ৰখাৰ সুবিধা লাভ কৰে আৰু কোনবোৰ প্রশ্নত অধিক গুৰুত্ব দিব সেই বিষয়েও অৱগত তথা সাজু হৈ থাকিব পাৰে।

৮.৮ প্রশ্নসূচী আৰু সাক্ষাৎকাৰ সূচীৰ মাজৰ বৈসাদৃশ্য

- গৱেষকসকলে প্রায়ে গৱেষণাত সাক্ষাৎকাৰসূচী আৰু প্রশ্নসূচীক সলাই সলাই ব্যৱহাৰ কৰা দেখা যায়। কেতবোৰ ক্ষেত্রত দুয়োটাৰে মাজত সাদৃশ্য থাকিলেও দুয়োটাৰে মাজত বৈসাদৃশ্যও বিদ্যমান।

- দুয়োটাতে পূর্ব নির্ধাৰিত কেতবোৰ প্রশ্ন থাকে। কিন্তুসাক্ষাৎকাৰ সূচী আৰু প্রশ্নসূচীৰ মাজত মৌলিক পার্থক্য হৈছে প্রশ্নসূচী উত্তৰদাতাই নিজে পূৰণ কৰিব লাগে কিন্তু সাক্ষাৎকাৰ সূচী গৱেষক বা আঁত ধৰোতাই উত্তৰদাতাৰ হৈ পূৰণ কৰিব লগীয়া হয়।
- তথ্য সংগ্রহৰ ক্ষেত্রত দুয়োটা পদ্ধতিয়ে প্রাথমিক, য'ত প্রশ্ন কৰি তথ্য আহৰণ কৰা হয়, কিন্তু প্রশ্নসূচীয়ে এক বৃহৎ সংখ্যক, ভৌগলিকভাৱে বিস্তৃত, ভিন্নমুখী জনসংখ্যাৰ পৰা তথ্য আহৰণ কৰে আনহাতে সাক্ষাৎকাৰ সূচীৰ দ্বাৰা এক ক্ষুদ্র জনসংখ্যা যাৰ সৈতে গৱেষকে নিজে ব্যক্তিগতভাৱে মত বিনিময় কৰিব পাৰে তেওঁলোকৰ পৰা তথ্য উলিওৱা হয়।
- এখন প্রশ্নসূচীত ব্যক্তিগত মত বিনিময় হ'বও পাৰে বা নহ'বও পাৰে (উত্তৰদাতাসকলক মেইলৰ জৰিয়তে, অনলাইন বা ডাকযোগে প্রেৰণ কৰিবও পাৰি), আনহাতে সাক্ষাৎকাৰসূচী সাধাৰণভাৱে গৱেষক আৰু উত্তৰদাতাৰ মাজৰ ব্যক্তিগত মত বিনিময় হয়।
- উভয়ক্ষেত্রতে পূর্ব নির্ধাৰিত কেতবোৰ তথ্য থাকে যাৰদ্বাৰা তথ্যৰ নির্ভৰযোগ্যতা নিশ্চিত কৰা হয়। কিন্তু অধিকাংশ ক্ষেত্রতে এখন প্রশ্নসূচী হৈছে তুলনামূলকভাৱে শিথিল হোৱাৰ লগতে ইয়াত নির্দিষ্ট শব্দ আৰু বাক্যাংশ ব্যৱহাৰ কৰি একেধৰনৰ ফলাফল পাবলৈ চেষ্টা কৰা হয়। আনহাতে সাক্ষাৎকাৰ সূচী হৈছে অধিক নমনীয়, ইয়াত প্রশ্নকৰোতাই সাক্ষাৎকাৰৰ প্রয়োজন অনুসৰি প্রশ্নসমূহ ভাঙি-পাতি কৰাৰ সুবিধা লাভ কৰে।
- এখন প্রশ্নসূচীৰ সাফল্য নির্ভৰ কৰে ইয়াত কৰা প্রশ্নৰ মানৰ ওপৰত, আনহাতে সাক্ষাৎকাৰ সূচীৰ ক্ষেত্রত এই নির্ভৰযোগ্যতা আহে সাক্ষাৎকাৰ লওতাৰ সততা আৰু দক্ষতাৰ পৰা।

অৱশ্যে প্রাথমিক তথ্য সংগ্রহৰ আহিলাৰূপে সূচী আৰু প্রশ্নাৱলী উভয়তে স্পষ্টতা, সংক্ষিপ্ততা থকাটো বাঞ্ছনীয়। ইয়াৰ লগতে উভয়তে উত্তৰদাতাসকলৰ বাবে প্রশ্নসমূহ উপযোগী হ'ব লাগিব। উপযুক্ত তথ্য আহৰণৰ বাবে সাক্ষাৎকাৰ সূচী আৰু প্রশ্নসূচী দুয়োটাই দায়িত্বসহকাৰে প্রস্তুত কৰাটো অতি প্রয়োজন।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ ঃ প্রশ্নসূচী হৈছে .....প্রশ্নৰ মিছিল যাৰ লক্ষ্য উত্তৰদাতাৰ পৰা .....তথ্য আহৰণ কৰা।

প্রশ্ন নং ২ ঃ এখন ভাল প্রশ্নসূচী উত্তৰদাতাসকলৰ বাবে ..... হ'ব লাগে।

প্রশ্ন নং ৩ ঃ তথ্য আহৰণ ৰ ক্ষেত্রত প্রশ্নসূচী হৈছে এক কম খৰছী আহিলা। সত্য নে অসত্য ?

প্রশ্ন নং ৪ ঃ সাক্ষাৎকাৰসূচীত, উত্তৰদাতাক কৰা প্রশ্নসমূহৰ উত্তৰ...লিখে।

প্রশ্ন নং ৫ ঃ এখন সাক্ষাৎকাৰ সূচীত .....সাক্ষাৎকাৰলওতাই প্রশ্নসমূহ নতুনকৈ সজাই লোৱাৰ সুযোগ লাভ কৰে।

প্রশ্ন নং ৬ ঃ প্রশ্নসূচী আৰু সাক্ষাৎকাৰ সূচী উভয়ে তথ্য আহৰণৰ .....আহিলা।



৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রশ্নসূচী হৈছে গৱেষণাৰ এনে এক সৰঞ্জাম য'ত এক নির্দিষ্ট গণ্ডীত পৰিৱেশন কৰা পূর্ব নির্ধাৰিত কেতবোৰ প্রশ্নৰে উত্তৰদাতাৰ পৰা বস্তুগত তথ্য আহৰণ কৰা হয়।
- উন্নত মানৰ তথ্যৰ বাৰে এখন ভাল প্রশ্নসূচী অপৰিহার্য। গৱেষণাৰ ক্ষেত্রত গৱেষকৰ মনলৈ প্রথম অহা প্রসংগটোৱে হৈছে প্রশ্নসূচী।
- সাধাৰণ অর্থত প্রশ্নসূচী হৈছে গৱেষণাৰ বিষয়টোৰ সৈতে মিলা কিছুমান মিছিল।
- প্রশ্নসূচীক সাধাৰণতে দুটা ভাগত বিভক্ত কৰিব পাৰি, এইকেইটা হৈছে বন্ধ আৰু মুক্ত পৰিসৰৰ।
- গৱেষণাৰ প্রয়োজনীয়তালৈ লক্ষ্য ৰাখি প্রশ্নসূচী সংৰচিত বা অর্ধ-সংৰচিত হ'ব পাৰে।
- সংৰচিত প্রশ্নসূচীত সাধাৰণতে পূর্ব নির্ধাৰিত কেতবোৰ বিকল্প থাকে যিসমূহৰ পৰা উত্তৰদাতাই নিজৰ পচন্দ বাছিব লাগে।
- অর্ধ-সংৰচিত বা মুক্ত পৰিসৰৰ প্রশ্নসূচীত নির্দিষ্ট প্রশ্ন থাকে কিন্তু ইয়াত উত্তৰদাতাসকলে নিজৰ উত্তৰ ভালদৰে লিখিব পৰাকৈ খালী ঠাই এৰা হয়।
- এখন ভাল প্রশ্নসূচী উত্তৰদাতাসকলৰ বাবে সংক্ষিপ্ত প্রকৃতিৰ হ'ব লাগে।
- যুক্তিসংগত উত্তৰ বিচৰা প্রশ্নসূচীত যুক্তিসংগত প্রশ্ন থাকিব লাগে।
- উত্তৰদাতাক অপ্রস্তুত কৰিব পৰা প্রশ্ন প্রশ্নসূচীত সংলগ্ন কৰিব নালাগে।
- এখন ভালপ্রশ্নসূচীয়ে সদায় উত্তৰদাতাক আকর্ষণ কৰিব পাৰিব লাগে। ইয়াৰ অন্যথাই সঠিক তথ্য আহৰণ কৰাত প্রশ্নসূচীখন্তু ব্যর্থ হৈ পৰে।
- প্রশ্নসূচী হৈছে সময় ৰাহি কৰা পদ্ধতি। ইয়াৰ দ্বাৰা সময় আৰু ধন দুয়োটাই ৰক্ষা পৰে।
- প্রশ্নসূচীৰে সংগ্রহ কৰা তথ্য বিশ্লেষণ কৰাত সহজ হয়। প্রশ্নসূচীৰে সহায়ত আহৰণ কৰা তথ্যৰ সহায়ত নির্দিষ্ট গৱেষণাৰ এক সাধাৰণ সিদ্ধান্তত উপনীত হোৱাৰ লগতে সামাজিক বাস্তৱিকতাৰ শৈলী নির্ধাৰণত সহায় হয়।
- প্রশ্নসূচীৰ সহায়ত তথ্যসমূহ সহজে তুলনা কৰিব পৰা হোৱাৰ লগতে এই তথ্য পৰিমাণগত প্রকৃতিৰ হয়।
- তথ্য আহৰণৰ বাবে ব্যৱহৃত প্রশ্নসূচীৰ আটাইতকৈ ডাঙৰ নেতিবাচক দিশটো হৈছে ইয়াত গৱেষকে উত্তৰদাতাসকলৰ সৈতে ব্যক্তিগত পর্যায়ত সম্পর্ক ৰক্ষা কৰাৰ সুবিধা লাভ নকৰে। এই দিশটোৰ বাবেই পৰৱর্তী সময়ৰ আন বহুতো সমস্যাৰ উদ্ভৱ হয়। যেনে-গৱেষণাত বহল পৰিসৰৰ, ভিন্নমুখী দৃষ্টিভংগীৰ অভাৱ, সমমর্মিতাৰ অভাৱ, বৈধতাৰ সমস্যা আদি।
- কে ডি গেংৱেডে সাক্ষাৎকাৰসূচীক সাক্ষাৎকাৰৰ সময়ত পূৰণ কৰাৰ প্রপত্র ৰূপে ব্যাখ্যা কৰিছে, এই প্রপত্র পূৰণ কৰাৰ সময়ত প্রশ্নকৰোতা আৰু উত্তৰদাতা উভয়ে উপস্থিত থাকে। ইয়াৰ জৰিয়তে প্রশ্নকৰোতাই মুখামুখিকৈ কেতবোৰ প্রশ্ন উত্থপান কৰে।